*এই আঁচনিখনৰ সফল ৰূপায়ণৰ ফলত অসমৰ গ্ৰামাঞ্চলৰ ৰূপৰেখা সলনি হৈ যাব। কৃষি উৎপাদন দুগুণ হোৱাৰ লগতে যুৱক-যুৱতী, নৱ প্ৰজন্ম বহুত উপকৃত হ'ব। এখন গাঁও সৰ্বাংগসুন্দৰ ৰূপত গঢ় দিবলৈ এইধৰণৰ আঁচনিৰ অতীৱ প্ৰয়োজন। বৃহত্তৰ অসম বিশেষকৈ গ্ৰামাঞ্চলৰ বৈপ্লৱিক পৰিৱৰ্তনৰ বাবে এই মুখ্য মন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাখনে এক সুদুৰপ্ৰসাৰী প্ৰভাৱ পেলাব।*

আঁচনিৰ অধীনত অসমৰ প্ৰতিখন গাঁও পঞ্চায়তক ১ কোটি ২০ লাখ টকাকৈ আগবঢ়োৱা হ'ব যাতে গাঁওখন অৰ্থনৈতিক দিশত সবল হয়।

কৃষি খণ্ডৰ লগতে বাকী আনুষংগিক খণ্ডসমূহো সফলতাৰ দিশে অগ্ৰসৰ হয়। এই আঁচনিখনে কৃষকসকলক স্পৰ্শ কৰাৰ লগতে গাঁওসমূহকো স্পৰ্শ কৰিব লাগিব তেতিয়াহে আঁচনিখনৰ ৰূপায়ণ সাৰ্থক হ'ব। এই আঁচনিৰ অধীনত অনাগত পাঁচ বছৰত অসমৰ গাঁৱলৈ ৩০ হাজাৰ কোটি টকা আবণ্টন কৰা হ'ব। যোৱা ৫ ফেব্ৰুৱাৰীত এই মহৎ আঁচনিখন বন্তি প্ৰজ্বলনেৰে শুভ উদ্বোধন কৰি মুখ্য মন্ত্ৰীগৰাকীয়ে কয় যে— অসমৰ বুকুত থকা গাঁওসমূহ অতিকৈ ধুনীয়া। ইয়াৰ সমাজ জীৱনো অত্যন্ত শৃংখলাবদ্ধ আৰু গ্ৰামাঞ্চলৰ জনসাধাৰণে জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে মিলা-প্ৰীতিৰে বসবাস কৰে। গ্ৰামাঞ্চলৰ জনসাধাৰণে কৃষ্টি-সংস্কৃতি তথা পৰম্পৰা অটুট ৰাখি সৰলভাৱে জীৱন নিৰ্বাহ কৰে। গাঁও অঞ্চলৰ মানুহেও সপোন দেখে, সেয়েহে গাঁও অঞ্চলৰ ৰাইজৰ মনৰ আশা পূৰণ কৰাত গুৰুত্ব আৰোপ কৰি মুখ্য মন্ত্ৰীয়ে কয় যে গাঁৱৰ পৰাই চহৰৰ সৃষ্টি হৈছে, গতিকে গ্ৰাম্য অৰ্থনীতি শক্তিশালী হ'লেহে ৰাজ্যখনৰ সামগ্ৰিক অৰ্থনীতি অধিক শক্তিশালী হ'ব। সেয়েহে এই আঁচনিৰ জৰিয়তে প্ৰত্যেকখন গাঁৱক সুন্দৰভাৱে সজাই-পৰাই তোলাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ব যাতে পৰ্যটকৰ গাঁৱৰ প্ৰতি আকৰ্ষণ বৃদ্ধি পায়। মুখ্য মন্ত্ৰীয়ে গাঁৱৰ ৰূপৰেখা আধুনিক ৰূপত সজাই তোলাৰ বাবে আঁচনিখন গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰি কয় যে জাতিৰ পিতা মহাত্মা গান্ধীয়ে গ্ৰামাঞ্চলৰ আন্তঃগাঁথনি শক্তিশালী কৰি ৰাম ৰাজ্য প্ৰতিষ্ঠা কৰাৰ বিষয়ে কৈছিল। ভাৰতৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়েও বাপুজীৰ কথা উপযুক্তভাৱে মূল্যাংকন কৰি গাঁও অঞ্চলৰ উন্নয়নৰ বাবে বহু সংখ্যক আঁচনি গ্ৰহণ কৰিছিল। বৰ্তমান প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও দুখীয়া লোকৰ তথা গ্ৰামাঞ্চলৰ উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰধান মন্ত্ৰী জন ধন যোজনাকে আদি কৰি বহু আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিসমূহে জনগণক আকৰ্ষিত কৰিছে বুলি ভাষণ প্ৰসংগত মুখ্য মন্ত্ৰীয়ে উল্লেখ কৰে। অসমৰ জাতীয় জীৱনৰ বাবে ৫ ফেব্ৰুৱাৰীৰ দিনটো অত্যন্ত স্মৰণীয় দিন বুলি উল্লেখ কৰি মুখ্য





মন্ত্ৰীয়ে অসমৰ গাঁওসমূহৰ বিষয়ে ভালদৰে অধ্যয়নৰ ওপৰত গুৰুত্ব দি কয় যে গাঁৱৰ শক্তি তথা ইয়াৰ অৰ্থনীতিৰ সম্ভাৱনীয়তাও বিস্তৃত ৰূপত পৰ্যালোচনা হোৱা নাই। সেয়েহে ‘ডিস্কভাৰী অৱ আছাম’ৰ জৰিয়তে সকলোৱে একগোট হৈ গ্ৰামাঞ্চলৰ সম্ভাৱনীয়তা কামত খটুৱাই গাঁৱৰ উন্নয়ন সাধন কৰিব লাগিব বুলি মুখ্য মন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। মুখ্য মন্ত্ৰীগৰাকীয়ে গ্ৰামাঞ্চলৰ সংস্কৃতি, অৰ্থনীতি, আধ্যাত্মিক আন্দোলন শক্তিশালী কৰি অহা প্ৰজন্মক মৰ্যাদাসহকাৰে জীয়াই থকাটো নিশ্চিত কৰিব লাগিব বুলি উল্লেখ কৰি কয় যে এই আঁচনিৰ জৰিয়তে গ্ৰামাঞ্চলৰ ৰাইজৰ হৃদয়ত প্ৰৱেশ কৰিবলৈ সক্ষম হ’ব লাগিব, ইয়াৰ বাবে এক মহৎ চিন্তা আৰু উদ্দেশ্য সকলোৰে অন্তৰত থাকিব লাগিব বুলি ভাষণ প্ৰসংগত মুখ্য মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। আঁচনিখন সঠিক দিশত ৰূপায়ণ হ’বলৈ হ’লে সকলোৱে কষ্ট কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্য মন্ত্ৰীয়ে কয় যে আঁচনিখনৰ প্ৰতিটো টকাই যাতে সদব্যৱহাৰ হয় ইয়াক নিশ্চিত কৰাৰ লগতে কৃষকসকলক মৰ্যাদা সহকাৰে জীয়াই থকাৰ সুবিধা প্ৰদানৰ লগতে তেওঁলোকক সকলো ক্ষেত্ৰতে সন্মান প্ৰদৰ্শন কৰিব লাগিব বুলিও মুখ্য মন্ত্ৰীয়ে দোহাৰে। মুখ্য মন্ত্ৰীয়ে লগতে কয় যে কৃষকসকলৰ উন্নতিৰ বাবে চৰকাৰৰ প্ৰতিটো পৰ্যায়ৰ বিষয়া-কৰ্মচাৰী সজাগ-সচেতন হৈ থাকিব লাগিব। আনহাতে মুখ্য মন্ত্ৰীয়ে ভাষণ প্ৰসংগত যি ক’ম সেয়া কৰিম আদৰ্শ লৈ আগবাঢ়িম বুলি সিদ্ধান্ত গ্ৰহণ কৰে। গাঁও অঞ্চলৰ ইতিহাস, কৃষ্টি-সংস্কৃতি, পৰম্পৰাৰ সঠিকভাৱে উত্তৰণ কৰিব পাৰিলেহে অসমৰ সামগ্ৰিক উন্নয়ন সম্ভৱ বুলি উল্লেখ কৰে। মুখ্য মন্ত্ৰীয়ে কয় যে পূৰ্বৰ আঁচনিৰ দৰে সস্তীয়া ৰাজনীতিৰে এই যোজনাখন ৰূপায়ণ কৰিবলৈ গ’লে অসুবিধাৰ সন্মুখীন হ’ব লাগিব। আধুনিক ধ্যান-ধাৰণা, বিজ্ঞান-প্ৰযুক্তিৰ প্ৰয়োগৰ দ্বাৰাহে এই আঁচনিখন ৰূপায়ণ হ’ব লাগিব। উক্ত অনুষ্ঠানত অসম চৰকাৰৰ শিক্ষা, স্বাস্থ্য, বিত্তমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে আজি এক নতুন দিগন্তৰ আৰম্ভণি হৈছে। উক্ত আঁচনিৰ জৰিয়তে অহা পাঁচ বছৰত অসমৰ কৃষকৰ উপাৰ্জন দুগুণ বৃদ্ধিৰ লক্ষ্য স্থিৰ কৰা হৈছে বুলি জানিবলৈ দি মন্ত্ৰীগৰাকীয়ে কয় যে অহা বিত্তীয় বৰ্ষত এই আঁচনিৰ অধীনত ৩-৪ মাহৰ ভিতৰত অসমৰ ২৩ হাজাৰ গাঁৱৰ প্ৰত্যেকখন গাঁৱলৈ একোখনকৈ ট্ৰেক্টৰ প্ৰদান, এম জি এনৰেগাৰ অধীনত প্ৰতিখন গাঁৱতে তিনি-চাৰি মাহৰ ভিতৰত একোখনকৈ ফুটবল খেলপথাৰ আৰু প্ৰতিখন গাঁও পঞ্চায়তেত ভিলেজ ন’লেজ চেণ্টাৰ গঢ়ি তোলাৰ ব্যৱস্থা কৰা হ’ব বুলি উল্লেখ কৰে। এই অনুষ্ঠানতে মন্ত্ৰী ডঃ শৰ্মাই যোজনা ৰূপায়ণৰ বাবে গঠন কৰা মেগা মিছন ছ’চাইটীৰ অধ্যক্ষ মুখ্য মন্ত্ৰীৰ হাতত ৫০০ কোটি টকাৰ চেক এখন প্ৰদান কৰে আৰু ১০০০ কোটি টকা ৩১ মাৰ্চৰ ভিতৰত প্ৰদান কৰা হ’ব বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে কয় যে এই আঁচনিৰ ধন পোনপটীয়াকৈ বিতৰণ কৰা নহয়। ইয়াৰ পৰিৱৰ্তে প্ৰতিখন গাঁৱত ৫জনীয়া বিশেষজ্ঞৰ দল এটাই গাঁৱৰ ৰাইজৰ সৈতে মত বিনিময় কৰি সম্ভাৱনালৈ চাই কৃষি আৰু ইয়াৰ সংলগ্ন বিষয়, তথ্য-প্ৰযুক্তি, সংস্কৃতি, ক্ৰীড়াৰ ওপৰত আঁচনি গ্ৰহণ কৰিব। ইয়াৰ বাবে প্ৰতিটো উন্নয়ন খণ্ডত সৰ্বভাৰতীয় শিক্ষা প্ৰতিষ্ঠানৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰা এজন বিশেষজ্ঞক ‘লীড ক’অৰ্ডিনেটৰ’ হিচাপে নিযুক্তি দিব। তেওঁৰ অধীনত মীন, কৃষি, ক্ৰীড়া আদি খণ্ডৰ চাৰিজন বিশেষজ্ঞ থাকিব। সেই পাঁচজনীয়া বিশেষজ্ঞ দলটোৱে গাঁৱে-ভূঞে গৈ সম্ভাৱনাময় আঁচনি সন্দৰ্ভত অধ্যয়ন চলাব। চৰকাৰে অতি সোনকালেই প্ৰতিটো উন্নয়ন খণ্ডতে লীড ক’অৰ্ডিনেটৰ আৰু বিশেষজ্ঞসকলক নিযুক্তি দিব। মুঠ ১২ শ বিষয়াক নিযুক্তি দিয়া হ’ব বুলি বিত্তমন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। এই মুখ্য মন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাক সকলো আঁচনিৰ মাতৃ বুলি মন্ত্ৰী ডঃ শৰ্মাই অভিহিত কৰে। লীড ক’অৰ্ডিনেটৰসকলক প্ৰশিক্ষণ প্ৰদান কৰা হ’ব। তেওঁলোকে গাঁৱত গৈ জনপ্ৰতিনিধিসকলৰ লগত কথা পাতি এটা গ্ৰাম্য উন্নয়নৰ ৰিপ’ৰ্ট দিব লাগিব। তাৰ পিছত আঁচনিখনৰ ধন মুকলি কৰি দিয়া হ’ব। এই অনুষ্ঠানত ৰাজ্য চৰকাৰৰ কৃষিমন্ত্ৰী অতুল বৰা, জলসিঞ্চন মন্ত্ৰী ৰঞ্জিত দত্ত, পঞ্চায়ত, গ্ৰামোন্নয়ন মন্ত্ৰী নৱ কুমাৰ দলে, শক্তি, শ্ৰম আৰু নিয়োগ মন্ত্ৰী পল্লৱলোচন দাস, সাংসদ আৰ পি শৰ্মা, মুখ্য সচিব বিনোদ কুমাৰ পিপাৰচেনিয়া, বিধানসভাৰ উপাধ্যক্ষ দিলীপ কুমাৰ পাল, মুখ্য মন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীৰ লগতে বহু সংখ্যক বিধায়কে অংশগ্ৰহণ কৰে।

এই আঁচনিখনৰ সফল ৰূপায়ণৰ ফলত অসমৰ গ্ৰামাঞ্চলৰ ৰূপৰেখা সলনি হৈ যাব। কৃষি উৎপাদন দুগুণ হোৱাৰ লগতে যুৱক-যুৱতী, নৱ প্ৰজন্ম বহুত উপকৃত হ’ব। এখন গাঁও সৰ্বাংগসুন্দৰ ৰূপত গঢ় দিবলৈ এইধৰণৰ আঁচনিৰ অতীৱ প্ৰয়োজন। বৃহত্তৰ অসম বিশেষকৈ গ্ৰামাঞ্চলৰ বৈপ্লৱিক পৰিৱৰ্তনৰ বাবে এই মুখ্য মন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাখনে এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব।❑❑

# ডঃ নগেন শইকীয়াৰ সাক্ষাৎকাৰ

# মই সাহিত্য-শিল্প অনুৰাগী এজন সাধাৰণ মানুহ



❐ *কথোপকথনত—নিকুমণি হুছেইন*

*ড° নগেন শইকীয়া একাধাৰে এগৰাকী সমাজ সচেতন ব্যক্তি, সৰ্বভাৰতীয় স্বীকৃতিপ্ৰাপ্ত লেখক, চিন্তাবিদ, গৱেষক, ইতিহাসবিদ, গল্পকাৰ, ঔপন্যাসিক, নিবন্ধকাৰ, সমালোচক, ৰাজনীতিবিদ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সন্মানীয় 'বেজবৰুৱা আসন'ৰ প্ৰাধ্যাপক, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ আৰু এগৰাকী সাংবাদিক। অসমীয়া সাহিত্যৰ প্ৰতিটো দিশতেই তেখেতৰ চিন্তা প্ৰতিফলিত হোৱা দেখা যায়। 'সাহিত্য অকাডেমি বঁটা, অসম উপত্যকা সাহিত্য বঁটা আদি বহু মৰ্যাদাসম্পন্ন বঁটাৰে সন্মানিত ড° নগেন শইকীয়া মানেই যেন মিতভাষ আৰু মিতভাষ মানেই যেন ড° নগেন শইকীয়া। অসমীয়া সাহিত্য জগতলৈ ই এক অনবদ্য সংযোজন।*

— একাধাৰে আপুনি এগৰাকী সমাজ-সচেতন ব্যক্তি, সৰ্বভাৰতীয় স্বীকৃতিপ্ৰাপ্ত লেখক, চিন্তাবিদ, গৱেষক, ইতিহাসবিদৰ লগতে অসম সাহিত্য সভাৰ সভাপতি, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সন্মানীয় 'বেজবৰুৱা আসনৰ প্ৰাধ্যাপক', ভাৰতৰ উচ্চ সদন তথা ৰাজ্যসভাৰ সাংসদ আৰু অন্যতম উপ-সভাপতি আৰু এগৰাকী সাংবাদিক। ইয়াৰ ভিতৰত কোনটো পৰিচয় আপোনাৰ সকলোতকৈ প্ৰিয়?

ঃ মোৰ প্ৰথম আৰু শেষ পৰিচয় হ'ল মই সাহিত্য-শিল্প-অনুৰাগী এজন সাধাৰণ মানুহ আৰু এজন শিক্ষক।

— আপোনাৰ প্ৰথম লেখাটো ক'ত, কেতিয়া কোন চনত প্ৰকাশ হৈছিল?

ঃ গোলাঘাটৰ ঢেকীয়াল হাইস্কুলৰ বাৰ্ষিক আলোচনী 'প্ৰবাহ' আছিল মোৰ লেখা-মেলাৰ প্ৰথম কঠীয়াতলীস্বৰূপ। ১৯৫৩ চনত কাকডোঙা এম.ই স্কুলৰ পৰা আহি ঢেকীয়াল হাইস্কুলত সপ্তম শ্ৰেণীত নাম লগোৱা বছৰেই 'প্ৰবাহ'ৰ সেই বছৰৰ সংখ্যাটোত মোৰ 'অসমীয়া ভাষা আৰু সাহিত্য' সম্পৰ্কে লিখা এটা প্ৰবন্ধ, বিহুৰ বিষয়ে লিখা এটা পদ্য আৰু ইংৰাজী গল্পৰ ভাঙনি কৰি লিখা 'ভাই-ককাই' নামৰ এটা সৰু গল্প প্ৰকাশ হৈছিল। ছপা আখৰত সেয়ে আছিল প্ৰথম প্ৰকাশ। চুটিগল্পও 'প্ৰবাহ'তে ১৯৫৬ চনত প্ৰকাশিত হৈছিল। গল্পটোৰ নাম আছিল 'শিল্পীৰ চকুলো'। এই গল্পটো ২০১৪ খ্ৰীষ্টাব্দৰ 'আজিৰ দৈনিক বাতৰি'ৰ দেওবৰীয়া আলোচনী 'অনুভূতি'ৰ এটা সংখ্যাত পুনৰ্মুদ্ৰণ কৰিছে।

—কৈশোৰৰ গাঁৱৰ অভিজ্ঞতাই আপোনাৰ জীৱনত কেনেধৰণৰ প্ৰভাৱ পেলাইছিল?

ঃ মোৰ নিজৰ গাঁওখনেই মানুহ আৰু প্ৰকৃতিৰ লগত প্ৰথম পৰিচয় কৰি দিলে। যদিও গাঁৱৰ ৰূপ সলনি হৈ গৈছে এতিয়াও মই মনেৰে মোৰ সেই এৰি অহা পুৰণি গাওঁখনতে মোৰ শৈশৱ-কৈশোৰ আৰু প্ৰথম যৌৱনক যেন দেখা পাওঁ এনে লাগে। মোৰ মনত সৃষ্টিশীলতাৰ বীজ ৰোপণ কৰাত গাঁৱৰ লোকজীৱন, বৈষ্ণৱ সংস্কৃতিকে ধৰি লোক সংস্কৃতি, লোক-সাহিত্য আৰু নৈসৰ্গিক জীৱনে নিঃসন্দেহে বৰঙনি যোগাই আহিছে। মোৰ এই গাঁওখনৰ বিষয়ে পিছত ১৯৬৯ চনত 'মৰমৰ গাঁও' নাম দি গাঁওখনৰ ছবি এটা ধৰি ৰাখিবলৈ যত্ন কৰিছো।

— আপোনাৰ লেখাৰ অভ্যাস কেনেকৈ আৰম্ভ হৈছিল?

ঃ সকলোৰে কৰাৰ দৰে ময়ো পদ্যৰে আৰম্ভ কৰিছিলো। অৱশ্যে লগতে শ্ৰীশ্ৰী মিত্ৰদেৱ মহন্তই 'ক' আৰু 'খ' শ্ৰেণীৰ বাবে ৰচনা কৰা 'লনি পাঠ' নামৰ পাঠ্যপুথি দুখনেও অনুকৰণ কৰিবলৈ শিকাইছিল।

—আপোনাৰ তিনিজন প্ৰিয় কবি—মাধৱদেৱ, জীৱনানন্দ দাশ আৰু খলিল জিব্ৰান। ইয়াৰ বাহিৰেও?

ঃ বিভিন্ন সময়ত মই উল্লেখ কৰিছো যে অনেক লেখকৰ ৰচনাই মোক আকৰ্ষণ কৰি আহিছে। তদুপৰি কালিদাস, শ্বে'ক্সপীয়েৰ, টলষ্টয়, ৰবীন্দ্ৰনাথ আদিৰ দৰে মহৎ লেখকসকল কাৰনো প্ৰিয় নহয়? মোৰ বাবেও। কবি হিচাপে মাধৱদেৱ, জীৱনানন্দ দাশ আৰু খলিল জিব্ৰান প্ৰিয় কবি। ঔপন্যাসিক, গল্পকাৰ আৰু নাট্যকাৰ হিচাপে আলবেয়াৰ ক্যেমু, ফ্ৰানৎজ্ কাফ্কা, ছেমুৱেল বেকেট, বুদ্ধদেৱ বসু, সৌৰভ কুমাৰ চলিহা যিদৰে প্ৰিয়, তেনেদৰে বিৰিঞ্চি কুমাৰ বৰুৱা, বিভূতি কুমাৰ বন্দোপাধ্যায়, ৰৈকম মহম্মদ বছিৰ, মহিম বৰা, ফণীশ্বৰ নাথ ৰেণু, অৰুণ শৰ্মা, মনোজ দাস আদিও

তেনেকৈয়ে প্ৰিয়। তেওঁবিলাক প্ৰিয় হোৱাৰ কাৰণ এইসকল আৰু এইসকলৰ দৰে লেখকে আধুনিক মানুহৰ হৃদয়ৰ সংবেদনশীলতাক পাহৰিব নোৱৰাকৈ জোকাৰি যায়। তেওঁবিলাকৰ ৰচনাৰ কেন্দ্ৰীয় ভাবৰ আধাৰত গঢ়ি উঠা বিষয়ে আৰু জীৱনক চোৱাৰ দৃষ্টিভংগীয়ে মোক আকৰ্ষণ কৰে।

—আপুনি ২০০৩ চনত 'নতুন দৈনিক কাকত'ৰ সম্পাদক আৰু ২০০৪ চনৰ পৰা ২০০৬ চনলৈ 'আমাৰ অসম' কাকতৰ সম্পাদক আছিল। সেই সময়খিনিৰ কথা অলপ ক'বনে ?

ঃ মই স্কুলত শিক্ষকতা কৰি থকাৰ সময়ৰ পৰা কাকতৰ লগত অপ্ৰত্যক্ষভাৱে হ'লেও জড়িত হৈ আছিলো। ১৯৬৩ চনত যেতিয়া শ্ৰী(এতিয়া প্ৰয়াত) চন্দ্ৰপ্ৰসাদ শইকীয়াৰ সম্পাদনাত তিনিদিনীয়া কাকত 'অসম বাতৰি' প্ৰকাশ হয় তেতিয়াৰ পৰা মই এই কাকতৰ গোলাঘাটৰ সংবাদদাতাৰ দায়িত্ব পালন কৰিছিলো। পিছত ১৯৬৫ চনৰ আৰম্ভতে এই কাকতৰ সহকাৰী সম্পাদকস্বৰূপে যোগ দিওঁগৈ। অৱশ্যে খুব বেছি দিন মই থকা নাছিলো, আৰু সেই বছৰৰ জুলাই মাহত ডিফু কলেজত অসমীয়াৰ অধ্যাপকস্বৰূপে যোগ দিওঁগৈ। অৱসৰৰ পিছত শ্ৰী সূৰ্য হাজৰিকা আৰু শ্ৰী সুৰেশ গাড়োদিয়াৰ নেৰানেপেৰা অনুৰোধত 'নতুন দৈনিক' বাতৰি কাকতখন নতুনকৈ আৰম্ভ কৰাৰ দায়িত্ব ল'লো ২০০৩ চনত। কাকতখনৰ পৰিকল্পনাৰ পৰা আৰম্ভ কৰি কাকতখন সম্পাদনা কৰাৰ অত্যন্ত শ্ৰমসাধ্য কামত হাত দিলো। আনুষ্ঠানিকভাৱে এপ্ৰিল মাহৰ সোতৰ তাৰিখে প্ৰসিদ্ধ সাংবাদিক শ্ৰীকুলদীপ নায়াৰে কাকতখন মুকলি কৰিলেহি। অতি কম দিনৰ ভিতৰতে অসমৰ অনেক প্ৰতিষ্ঠিত লেখকৰ আৰু সংবাদসেৱীৰ সহায় আৰু সহযোগিতা লাভ কৰি মনত পৰে পুৱা ন বজাৰ পৰা সম্পাদনা কক্ষত বহি দুপৰীয়া ডেৰমান বজাত আহাৰ কৰিয়েই পুনৰ নিশা দহমান বজালৈকে কাম কৰিছিলো। কাকতখনৰ দৈনিক সম্পাদকীয় স্তম্ভও মই লিখিছিলো। কিন্তু ব্যৱসায়িক দিশৰ পৰা তিনি-চাৰিমাহৰ ভিতৰত এখন দৈনিক কাকতে লাভ দেখুওৱাৰ প্ৰশ্নই নুঠে। বিভিন্ন কাৰণত কাকতখন বন্ধ হোৱাৰ উপক্ৰম ঘটিল। গাড়োদিয়াৰ পৰা আন এগৰাকী ব্যক্তিয়ে কাকতখন প্ৰকাশৰ দায়িত্ব ল'লে। মই সম্পাদকৰ দায়িত্ব এৰি আহিলো।

২০০৪ চনত 'আমাৰ অসম' কাকতৰ সম্পাদক শ্ৰীযুত হোমেন বৰগোহাঞি ডাঙৰীয়াই সম্পাদকৰ পদ এৰাত 'আমাৰ অসম'ৰ স্বত্বাধিকাৰী জি এল আগৰৱালাই মোক সেই দায়িত্ব ল'বলৈ অনুৰোধ কৰিলে। এইবাৰো নাযাওঁ-নথওঁকৈ কেইদিনমান যোৱাৰ পিছত জি এল আগৰৱালাৰ আগ্ৰহত ২০০৪ চনৰ ছেপ্টেম্বৰ মাহৰ এক তাৰিখে সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিলো। 'আমাৰ অসম' কাকতখনক প্ৰতিষ্ঠাপক সম্পাদক বৰগোহাঞি ডাঙৰীয়াই এটা চৰিত্ৰ প্ৰদান কৰি থৈছে। মই দায়িত্ব লৈ সেই ঐতিহ্য ৰক্ষা কৰাৰ উপৰি নতুন কিছু শিতান মুকলি কৰিলো। নতুন লেখক-লেখিকাৰো সন্ধান কৰিলো, আৰু একেভাৱে কাকতখনৰ স্থিতি সবল আৰু সতেজ কৰি তুলিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিলো। অসমৰ প্ৰতিষ্ঠিত লেখক-লেখিকাৰ পৰা, আৰু নতুন লেখক-লেখিকাৰ পৰাও, যথেষ্ট সহায় পালো। কিন্তু ২০০৬ খ্ৰীঃৰ পৰা মোৰ মধুমেহৰ উপৰি ৰক্তচাপ বৃদ্ধি হ'বলৈ ধৰিলে। ২০০৬ চনত ২০ এপ্ৰিলৰ দিনা মই মোৰ অফিচ কোঠালীতে হঠাৎ ঢলি পৰিলো। কিছুদিন চিকিৎসাৰ বাবে জিৰণি লৈ পুনৰ কামত যোগ দিওঁ যদিও মই যেন আগৰ শক্তি ঘূৰাই পোৱা নাছিলো। অৱশেষত ধৰা পৰিল যে মোৰ হৃদৰোগ আৰম্ভ হৈছে। আগষ্ট মাহত মই দায়িত্বৰ পৰা অব্যাহতি ল'লো।

—আপুনি ১৯৮৬ চনৰ পৰা ১৯৯২ চনলৈ ভাৰতৰ ৰাজ্যসভাৰ সাংসদ আছিল। লগতে ১৯৯০ চনৰ পৰা ১৯৯২ চনলৈ ৰাজ্যসভাৰ উপ-সভাপতি পদত কাৰ্যনিৰ্বাহ কৰিছিল। সেই সময়খিনিৰ কথা অলপ ক'ব?

ঃ ১৯৮৫ চনৰ ১৪ অক্টোবৰত অসম গণ পৰিষদ গঠন হ'ল আৰু এই দলে সেই বছৰৰ ডিচেম্বৰ মাহত হোৱা নিৰ্বাচনত জয়ী হৈ অসমত প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত চৰকাৰ গঠন কৰিলে। এই নিৰ্বাচনত মোৰ ইচ্ছাৰ বিৰুদ্ধে ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থীস্বৰূপে মই থিয় দিব লগাত পৰিছিলো। নিৰ্বাচনত কংগ্ৰেছ দলৰ শ্ৰী(এতিয়া প্ৰয়াত) হৰেন ভূমিজ ডাঙৰীয়া জয়ী হ'ল। নিৰ্বাচনত পৰাজিত হোৱাৰ বাবে মোৰ সামান্যতমো আপচোচ হোৱা নাছিল। বৰং 'ৰক্ষা পৰিলো' বুলি ভাবিছিলো। কিন্তু ভাগ্যই মানুহক কেনেকৈ কোন বাটে লৈ যায় ক'ব নোৱাৰি। ১৯৮৬ চনৰ মাৰ্চ মাহত হ'বলগীয়া ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে পুনৰ মোক প্ৰাৰ্থিত্ব প্ৰদান কৰিলে। এইবাৰো মই মোৰ অনিচ্ছা প্ৰকাশ কৰিছিলো। কিন্তু সকলোৰে আগ্ৰহত মই মনোনয়ন পত্ৰ দাখিল কৰিলো আৰু জয়ী হ'লো। ২১ এপ্ৰিল তাৰিখে ৰাজ্যসভাৰ সদস্য হিচাপে শপতগ্ৰহণ কৰিলো। তেতিয়া ৰাজ্যসভাৰ অধ্যক্ষ তথা ভাৰতৰ উপ-ৰাষ্ট্ৰপতি আছিল শ্ৰী(এতিয়া প্ৰয়াত) ভেংকট ৰমণ ডাঙৰীয়া। ৰাজ্যসভাৰ সকলো নীতি-নিয়ম আয়ত্ত কৰিবলৈ দহ-পোন্ধৰ দিন সময় লাগিছিল। লাহে লাহে অংশগ্ৰহণ কৰিব পৰা হ'লো, প্ৰশ্ন উত্থাপন কৰিবলৈ শিকিলো, বিশেষ উল্লেখনীয় শিতানত নাইবা দৃষ্টি আকৰ্ষক শিতানত একো একোটা বিষয়ত নিজৰ বক্তব্য দাঙি ধৰাৰ উপৰি বিভিন্ন বিতৰ্কত অংশগ্ৰহণ কৰিবলৈ আৰম্ভ কৰিলো। দল-মত নিৰ্বিশেষে সদস্যসকলৰ অনেকৰ লগত বন্ধুত্ব স্থাপন হ'ল। মনত পৰে সেই সময়ত মনোনীত সদস্যস্বৰূপে ৰাজ্যসভালৈ আহিছিল প্ৰসিদ্ধ ভাৰতীয় ইংৰাজী লেখক আৰ কে নাৰায়ণ, জ্ঞানপীঠ বিজেতা, প্ৰসিদ্ধ লেখক শ্ৰীমতী অমৃতা প্ৰীতম, আন্তৰ্জাতিক খ্যাতিসম্পন্ন চেতাৰ শিল্পী ৰবিশংকৰ, আন্তৰ্জাতিক খ্যাতিসম্পন্ন পক্ষীবিদ ছালিম আলী, বিশিষ্ট সমাজসেৱিকা শ্ৰীমতী ইলা ভট্ট আদি লোকসকল। এম জি কে মেনন আৰু অধ্যাপক ৰামান্নাৰ দৰে বিজ্ঞানী আৰু অনেক খ্যাতিমান লোক সেই সময়ত ৰাজ্যসভাৰ সদস্য আছিল। প্ৰথম অৱস্থাত অগপৰ ৰাজ্যসভাৰ সদস্য আছিল মোৰ উপৰি বিজয়া চক্ৰৱৰ্তী। পিছত ভদ্ৰেশ্বৰ বুঢ়াগোহাঁই আৰু ডেভিদ লেজাৰে যোগ দিলেহি। লোকসভাত আছিল দীনেশ গোস্বামী। ৰাজ্যসভাৰ অগপৰ দলপতি স্বৰূপে দায়িত্ব মোৰ ওপৰত পৰিল। ভেংকট ৰমণ ৰাষ্ট্ৰপতি হোৱাৰ বাবে শংকৰ দয়াল শৰ্মা উপ-ৰাষ্ট্ৰপতি পদলৈ নিৰ্বাচিত হ'ল আৰু তেখেত ৰাজ্যসভাৰ অধ্যক্ষও হ'ল। এইগৰাকী পণ্ডিত লোকৰ ব্যক্তিগত সান্নিধ্য মই লাভ কৰিছিলো।

মই সদস্যস্বৰূপে ৰাজ্যসভাৰ কোনোদিন নিয়ম ভংগ কৰা নাছিলো। বিৰোধী দলসমূহে সমূহীয়াভাৱে দাবী উত্থাপন কৰাৰ সময়ত কোনো কোনো সদস্য নিজৰ ঠাইৰ পৰা 'ৱেল'লৈ গৈছিল। সেই কাম নীতিসমৰ্থিত নহয় বাবে মই মোৰ আসনৰ ওচৰতে থিয় হৈ মোৰ বক্তব্য দাঙি ধৰিবলৈ যত্ন কৰিছিলো, ৱেললৈ যোৱা নাছিলো। অন্যান্য নিয়মবোৰো যিমানদূৰ সম্ভৱ মই মানি চলিছিলো। সম্ভৱতঃ সেইবাবেই মোক ৰাজ্যসভাৰ 'উপ-সভাপতি'ৰ পেনেললৈ মনোনয়ন দিছিল। সেই দায়িত্ব পালন কৰাৰ সময়তো মই সম্পূৰ্ণ নিৰপেক্ষ ভূমিকা পালন কৰিছিলো বুলি দাবী কৰিব পাৰো। সংসদৰ বিদায় সভাত কেইবাগৰাকীও সাংসদে সেই কথা মুকলিকৈ কৈছিল।

—আপুনি ৬০খনৰো অধিক মূল্যৱান গ্ৰন্থ এককভাৱে আৰু ১৫ খনৰো অধিক যুটীয়াভাৱে, মৌলিক গ্ৰন্থৰ সংখ্যাও ৫০খনৰো বেছি আৰু এককভাৱে সম্পাদনা কৰা গ্ৰন্থ ৬০খনৰো অধিক। আপুনি ইমানখিনি কাম কিদৰে সমাধা কৰিছে।

ঃ ইমানখিনি কাম কৰিলেও মই নিজকে কেতিয়াও গুৰুত্বপূৰ্ণ লেখক



*ডিব্ৰুগড়ৰ নিজা বাসভৱনত মুখ্য মন্ত্ৰী সোণোৱালৰ সৈতে ডঃ শইকীয়া*

বুলি বিবেচনা নকৰো। বৰং ভাৰতৰ তথা অসমৰ গুৰুত্বপূৰ্ণ লেখকৰ বৃত্তৰ পৰিধিত থকা এজন সামান্য লেখক বুলি ভাবো। মই চাৰিটা কাৰণত লিখো বুলি অনুভৱ কৰো। ওপৰ স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ কামত লাগিব পৰা কোনো বিষয়-সম্পৰ্কে আলোচনা কৰাৰ নিমিত্তে, আমাৰ হেৰাই যাব খোজা গুৰুত্বপূৰ্ণ গ্ৰন্থ আৰু আলোচনীসমূহ সংগ্ৰহ আৰু সম্পাদনা কৰাটো এটা জাতীয় দায়িত্ব বুলি অনুভৱ কৰাৰ বাবে, আমাৰ চাৰিওফালৰ সমাজখনৰ দৈনিক ঘটি থকা বিভিন্ন ঘটনা সম্পৰ্কে নিজৰ মনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবৰ কাৰণে আৰু একান্তভাৱে জীৱন আৰু জগত সম্পৰ্কে মোৰ নিজৰ বোধ আৰু অনুভৱ প্ৰকাশ কৰিবলৈ লিখো। নিজৰ দায়িত্ব বুলি ভবা কাম কৰি যোৱাৰ বাবে নিশ্চয় আগলৈও যত্ন কৰিম।

—সাহিত্য সভা সম্পৰ্কে কিবা ক'বনে?

ঃ যোৱা প্ৰায় এটা শতিকাৰ ভিতৰত অসম সাহিত্য সভা অসমীয়া মানুহৰ চেতনাৰ এটা অংশত পৰিণত হৈছে। সময়ৰ লগে লগে সামাজিক আৰু সাংস্কৃতিক পৰিৱৰ্তনৰ পটভূমিত সাহিত্য সভাৰো নিশ্চয় পৰিৱৰ্তন ঘটিছে আৰু ঘটিব। মূল লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি সঠিক পথেৰে সাহিত্য সভা আগবাঢ়ি যোৱাটোকে বাঞ্ছা কৰো। কিন্তু একবিংশ শতিকাৰ প্ৰথম দশকৰ মাজভাগৰ পৰা সাহিত্য সভাৰ গতি-প্ৰকৃতি দেখি মই অকণো সুখী নহয়। এতিয়া এই অনুষ্ঠান ন্যস্ত স্বাৰ্থ কুক্ষিগত হৈ সকলো গৌৰৱ আৰু মৰ্যাদা প্ৰায় হেৰুৱাই পেলোৱাৰ দৰে হৈছে।

—অসমীয়া সাহিত্যৰ প্ৰতিটো দিশতেই আপোনাৰ চিন্তা প্ৰতিফলিত হোৱা দেখা যায়। বিভিন্ন ৰচনাৰ উপৰি আপোনাৰ বহুতো গুৰুত্বপূৰ্ণ চিন্তাশীল ৰচনা, ভাষণ, সম্পাদকীয়, ৰাজনৈতিক, সামাজিক লেখা আছে। এই সকলোৱেই সংৰক্ষিত আৰু সংকলিত হৈ আছেনে ?

ঃ মোৰ প্ৰকাশিত কিতাপৰ সংখ্যাৰ কথা কৈ আহিছো। গ্ৰন্থাকাৰে অপ্ৰকাশিত হৈ থকা সৰু-বৰ ৰচনা সংকলিত হ'লে বোধ কৰো আৰু ২০-৩০খন গ্ৰন্থ হ'ব পাৰে। বিভিন্ন কাকত-আলোচনী আৰু গ্ৰন্থত প্ৰকাশিত ৰচনাবোৰো সংৰক্ষিত হৈ আছে, কেৱল বাছি উলিয়াই গ্ৰন্থ ৰূপ দিয়াৰ যত্ন কৰিব পৰা নাই।

—আপোনাৰ ভৱিষ্যৎ পৰিকল্পনা?

ঃ পৰিকল্পনা অনেক। কিন্তু জীৱনটো মানুহৰ বৰ চুটি। হাতত থকা কাম আছে 'ডিম্বেশ্বৰ নেওগ ৰচনাৱলী'ৰ তৃতীয় খণ্ডৰ কাম, 'বিৰিঞ্চি কুমাৰ বৰুৱাৰ ৰচনাৱলী'ৰ তিনিটা খণ্ড সম্পাদিত আৰু প্ৰকাশিত হ'ল, এতিয়া পিছৰ সংস্কৰণৰ কাম আছে, 'বাংলা অসমীয়া অভিধান'ৰ সম্পাদনা সম্পূৰ্ণ কৰাৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। 'বেণুধৰ শৰ্মা ৰচনাৱলী'ৰ তিনিটা খণ্ড প্ৰকাশিত হ'ল, দ্বিতীয় সংস্কৰণৰ কাম আছে। মাধৱ চন্দ্ৰ বৰদলৈয়ে সম্পাদনা কৰি উলিওৱা 'মাধৱ কন্দলী ৰামায়ণ'ৰ প্ৰথম সংস্কৰণ সম্পাদনাৰ কাম হৈ গৈছে। মোৰ 'অসমীয়া মানুহৰ ইতিহাস'ৰ দ্বিতীয় সংস্কৰণৰ কামো হ'ল। মোৰ 'প্ৰবন্ধ সমগ্ৰ' প্ৰথম খণ্ডৰ কাম, 'সৌন্দৰ্য তত্ত্ব পৰিচয়' সম্পূৰ্ণ কৰাৰ কাম, 'কবিতাৰ সময়' প্ৰকাশ হ'ব পৰাকৈ সম্পূৰ্ণ কৰাৰ ইত্যাদি অনেক কাম। এই সকলো কাম সম্পূৰ্ণ কৰিব পাৰোনে নোৱাৰো নাজানো। কিন্তু 'বেলিয়ে আঁটে মানে আৰু কাঁচিয়ে কাটে মানে' কাম কৰি যোৱাৰ যত্ন কৰিম।

—বৰ্তমান গল্পক লৈ আপুনি উদ্বিগ্ন নে সন্তুষ্ট?

ঃ একেবাৰে সাম্প্ৰতিক কালত যিসকলে গল্প লিখিবলৈ লৈছে সেইসকলৰ ভিতৰত মহিলা লেখিকাৰ গল্পই অসমীয়া গল্পক এটা বিশেষ মাত্ৰা দিছে বুলি ভাবো। মণিকুন্তলা ভট্টাচাৰ্য, মণিকা দেৱী, গীতালি বৰা, ৰশ্মিৰেখা বৰা, অনামিকা বৰা, জুৰি দত্ত আদি অনেক লেখিকাৰ মাজত মই কৃতিত্বৰ পৰিচয় ফুটি উঠা দেখিবলৈ পাইছো। নতুন পুৰুষ গল্পকাৰৰ সংখ্যা কিবা কাৰণত কমিছে যেন লাগিছে। অতনু ভট্টাচাৰ্যৰ দৰে গল্পকাৰসকলো কিছু নীৰৱ হৈছে। অৱশ্যেই কবিৰ সংখ্যা বাঢ়িছে আৰু যুৱকসকলৰ মাজত কৃতিত্বৰ পৰিচয় দিব পৰা অনেক কবি ওলাই আহিছে। নতুন প্ৰবন্ধ লেখকসকলৰ মাজৰ একাংশৰ বলিষ্ঠ খোজৰ উমান পোৱা গৈছে। মই এইসকল লেখকৰ ৰচনা পঢ়িলে আমাৰ সাহিত্যৰ ভৱিষ্যৎ নতুনকৈ সমৃদ্ধ হ'ব বুলি ভাবো।

—'মিতভাষ' মানেই ড° নগেন শইকীয়া। এই মিতভাষৰ বিষয়ে অকণমান জানিবলৈ দিব নেকি? কেতিয়াৰ পৰা আপুনি এই লেখা আৰম্ভ কৰিছিল?

ঃ 'মিতভাষ' সৃষ্টিৰ আঁৰৰ ৰাগ-অনুৰাগেৰে ভৰা আমাৰ মাটিৰ জীৱনটোৱে আৰু অনন্ত আকাশ আৰু সময়ৰ বুকুত জীৱনৰ অস্তিত্বহীনতাই বিভিন্ন মুহূৰ্তত মোৰ অন্তৰত যেনে আনুভূতিক



*প্ৰখ্যাত কবি অশোক বাজপেয়ীৰ পৰা অসম উপত্যকা সাহিত্য বঁটা গ্ৰহণৰ মুহূৰ্তত ডঃ শইকীয়া*

উপলব্ধিৰ সৃষ্টি কৰিছে সেই উপলব্ধিয়েই মিতভাষ সৃষ্টিত ঘাই ভূমিকা গ্ৰহণ কৰিছে। এনে ৰচনাসমূহ ডায়েৰী লিখাৰ দৰে একান্ত নিজৰ বাবে আশীৰ দশকৰ পৰাই মাজে মাজে লিখি থৈছিলো আৰু নব্বৈৰ দশকৰ পৰাহে প্ৰকাশ কৰিবলৈ দিছিলো। মোৰ অনেক গল্পৰ মাজতো এনেধৰণৰ যিবোৰ অংশ আছে তেনেবোৰ অংশও মই বাছি উলিয়াইছিলো। যি হওক, কোনোবাই 'মিতভাষ' বেয়া পালেও মোৰ আপচোচ নাই। কিয়নো, মোৰ এনে মানসিক তৰংগ দৈৰ্ঘ্যৰ পাঠকসকলৰ বাহিৰে তেওঁবিলাকতকৈ ওখসকলে মিতভাষ ভাল পাব বুলি মই নাভাবো।

—আপুনি হাইস্কুলীয়া স্তৰৰ পৰা বিশ্ববিদ্যালয়ৰ স্তৰলৈকে শিক্ষকতা কৰিছিল আৰু অৱসৰৰ পিছতো বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ পৃষ্ঠপোষকতাত গৱেষণা কৰ্ম কৰিছিল। আপুনি গৱেষণা আৰু সৃষ্টিশীল কৰ্ম—এই দুয়োটাৰে সামঞ্জস্য কিদৰে ৰাখে। অলপ দীঘলীয়াকৈ ক'ব নেকি?

ঃ উত্তৰ আধুনিকতাবাদী তত্ত্ব অনুসৰি মানুহৰ জীৱনত এটা মুখ্য বাচন নাথাকে। এজন মানুহে জীৱনত বিভিন্ন ভূমিকা পালন কৰে। যেতিয়া যিটো ভূমিকা পালন কৰে তেতিয়া সেইটোৱেই মুখ্য ভূমিকা হৈ পৰে। এজন মানুহ এজন শিক্ষক হ'ব পাৰে, লগে লগে তেওঁ এজন পিতৃ বা স্বামী হ'ব পাৰে, এজন খেলুৱৈ হ'ব পাৰে। অন্যান্য ভূমিকাবোৰ তেওঁ পালন কৰোতে শিক্ষক হৈ নাথাকে। ঠিক তেনেকৈ প্ৰত্যেক মানুহৰ মাজত এটা সৃষ্টিশীল মন আৰু এটা চিন্তাশীল মন থাকে। দুইটা মন একেলগে থাকে আৰু বেলেগ বেলেগ সময়ত বেলেগ বেলেগ কাম কৰে। মই নিজেও চিন্তাশীল গৱেষণাধৰ্মী কাম কৰাৰ সময়ত বাকী মনটোক ক্ৰিয়াশীল হ'বলৈ সুযোগ নিদিওঁ, আৰু বাকী মনটো ক্ৰিয়াশীল হৈ থকা সময়ত গৱেষণাধৰ্মী বা চিন্তাধৰ্মী কাম কৰা মনটো সক্ৰিয় হ'বলৈ নিদিওঁ। এনেকৈয়ে দুইটা মনৰ সংগতি ৰাখিবলৈ যত্ন কৰো।

—আপুনি সাহিত্য অকাদেমি বঁটা পাইছে চুটিগল্প পুথিৰ বাবে। গল্প এটা লিখাৰ বাবে কিদৰে আপুনি নিজকে প্ৰস্তুত কৰে?

ঃ হেনৰি জেম্‌ছে তেওঁৰ এটা প্ৰবন্ধত কৈছিল যে—'এজন লেখকে কেনেকৈ লিখিবলৈ আৰম্ভ কৰে আৰু কেনেকৈ শেষ কৰে সেই কথা একেটা গাৰুতে মূৰ দি শুই থকা প্ৰিয়তম বন্ধুজনেও ক'ব নোৱাৰে।' আনকি বহু সময়ত এজন লেখকৰ সচেতন মনটোৱেই পৰিষ্কাৰকৈ ক'ব নোৱাৰিব পাৰে। মোক যেতিয়ালৈকে কোনো এটা বিষয়ৰ, সেই বিষয়টো ইন্দ্ৰিয়গ্ৰাহ্য বা ইন্দ্ৰিয়াতীত যিকোনো বিষয় হ'ব পাৰে, যেতিয়ালৈকে আনুভূতিক স্তৰ এটাত উপনীত নকৰায় তেতিয়ালৈকে লিখিবলৈ মই সক্ষম নহওঁ। এতেকে মোৰ মনৰ ভিতৰৰ পৰাই সেই আনুভূতিক আঘাতটো আহিব লাগিব। তেতিয়াই বিষয়বস্তুৰ আৰু তাৰ ৰূপৰ কল্পনা কৰো আৰু বিষয়বস্তুৱে বিচৰা মতে তাৰ আংগিক ব্যৱহাৰ কৰো। মই বিশ্বাস কৰো যে চুটিগল্প এটাৰ প্ৰকৃতি এটা কবিতা, এখন ছবি বা এটা সংগীতৰ দৰেই একেটা স্তৰৰ।❒❒

# বেদখল উচ্ছেদ অভিযান চৰকাৰৰ এক বলিষ্ঠ পদক্ষেপ




কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছৰ কম দিনৰ ভিতৰতে অসমৰ নতুন চৰকাৰখনে গ্ৰহণ কৰা পদক্ষেপসমূহৰ ভিতৰত অন্যতম গুৰুত্বপূৰ্ণ পদক্ষেপটো হ'ল বেদখল উচ্ছেদ। মিত্ৰজোঁট চৰকাৰখনৰ নেতৃত্ব দিয়া বিজেপি দলৰ নিৰ্বাচনী প্ৰতিশ্ৰুতিতো অসমৰ বনাঞ্চল, সত্ৰ-দেৱালয় আদিৰ ভূমিত চলা বেদখল উচ্ছেদ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। চৰকাৰী বা ৰাজহুৱা সম্পত্তি বেদখলকাৰীৰ পৰা উদ্ধাৰ কৰা বা সেইবোৰৰ যথোপযুক্ত সুৰক্ষাৰ ব্যৱস্থা কৰাটো গণতান্ত্ৰিকভাৱে নিৰ্বাচিত চৰকাৰ এখনৰ নৈতিক আৰু সাংবিধানিক দায়িত্ব। পথ বা নৈপৰীয়া ভূমি অথবা জনজাতীয় আবেষ্টনী, সত্ৰৰ ভূমি, সংৰক্ষিত বনাঞ্চল, চৰণীয়া পথাৰ, বন্যপ্ৰাণী আশ্ৰিত শিবিৰ, ৰাষ্ট্ৰীয় উদ্যান আদি বিশেষ ব্যৱস্থা আৰু বিবেচনাৰে সংৰক্ষিত ভূমিত চৰকাৰে সদা সতৰ্ক দৃষ্টি নিবদ্ধ কৰি ৰাখি বেদখলমুক্ত কৰি ৰখা আৰু বেদখলীকৃত ভূমি ক্ষিপ্ৰতাৰে আনকি প্ৰয়োজন সাপেক্ষে কোনো পূৰ্ব জাননী নিদিয়াকৈ বেদখলমুক্ত কৰাৰ ব্যৱস্থা সংশ্লিষ্ট আইন আৰু অসম ৰাজহ মেনুৱেলতো লিপিবদ্ধ কৰা আছে। এনে পৰিপ্ৰেক্ষিততো বছৰৰ পিছত বছৰ ধৰি ক্ৰমবৰ্দ্ধমান হাৰত এনেবোৰ সম্পত্তিত ব্যাপক বেদখল অব্যাহত থাকিবলৈ পোৱাটো অসমবাসীৰ বাবেই চৰম দুৰ্ভাগ্যৰ কথা। এইক্ষেত্ৰত বিগত দিনৰ চৰকাৰী উদাসীনতা বা অৱহেলাৰ বিপৰীতে মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন নতুন চৰকাৰখনে লোৱা এই সাহসী পদক্ষেপক ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।

কাজিৰঙা কেৱল অসমৰে নহয়, সমগ্ৰ দেশৰে গৌৰৱ। ১৯৮৫ চনত কাজিৰঙাক ইউনেস্ক'ৱে বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে ঘোষণা কৰাত কাজিৰঙাই বিশ্বৰ পৰ্যটন মানচিত্ৰত বিশেষ স্থান লাভ কৰিছে। অসমৰ পৰ্যটন উদ্যোগকো নতুন মাত্ৰা প্ৰদান কৰিছে। এনে এটি গুৰুত্বপূৰ্ণ স্থানতে বেদখলকাৰী আৰু চোৰাং চিকাৰীৰ অবাধ টিঘিল-খিলনি চলি থাকিব পৰাটোৱে সচেতন নাগৰিককে ধৰি আটাইকে উদ্বিগ্ন কৰি তোলাটোৱেই স্বাভাৱিক। এইক্ষেত্ৰত গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা দুখন লেখ আবেদনৰ (WP(C) No. 8453/2003 আৰু No. 10279/2003) শুনানি গ্ৰহণ কৰি দিয়া ৰায়যোগে ন্যায়াধীশ উজ্জ্বল ভূঞাৰ আদালতে আবেদনকাৰী (বেদখলকাৰী)সকলৰ বেদখলকৃত ভূমি ৰাষ্ট্ৰীয় উদ্যানখনৰ সীমা তথা ষষ্ঠ সম্প্ৰসাৰণৰ অন্তৰ্গত ভূমিৰ (বান্দৰডুবি, দেওচুৰ চাং আৰু পালখোৱা) ভিতৰুৱা বুলি ৰায় দিয়াৰ লগতে সেই ভূমিত বেদখলকাৰীসকলৰ পশুচাৰণ বা আন কোনো ধৰণৰ অধিকাৰ নৰজে বুলি মন্তব্য কৰি সেইসকলক উচ্ছেদ কৰিবলৈ চৰকাৰক নিৰ্দেশ দিয়ে। ইয়াৰ পিছত ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ কে শ্ৰীধৰ ৰাওৰ আদালতেও যোৱা ২০১৫ চনৰ ১৫ জুলাইত গোলাঘাট, নগাঁও আৰু শোণিতপুৰ জিলাৰ উপায়ুক্তসকলক কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দ্বিতীয়, তৃতীয়, পঞ্চম আৰু ষষ্ঠ সম্প্ৰসাৰণত চলা বেদখল এমাহৰ ভিতৰত উচ্ছেদ কৰাৰ নিৰ্দেশ দিয়ে। সেই মৰ্মে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত বান্দৰডুবি, দেওচুৰ চাং আৰু পালখোৱাত উচ্ছেদ অভিযান চলাই ২০১৬ বৰ্ষৰ ছেপ্টেম্বৰ মাহত অবৈধভাৱে সজা ৩৩১ টা ঘৰ ধ্বংস কৰি অঞ্চলটোক বেদখলমুক্ত কৰে প্ৰশাসনে।

এই সন্দৰ্ভত মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালে চৰকাৰৰ স্থিতি স্পষ্ট কৰি দি কয়— 'এখন চৰকাৰ সংবিধানৰ ধৰ্মনিৰপেক্ষতাৰ আদৰ্শত দায়বদ্ধ। আমি ৰাইজক বিশ্বাসত লৈছো

আৰু এই উচ্ছেদ অভিযান চলাই যাম। জাতি, বৰ্ণ, ধৰ্ম আৰু ভাষা নিৰ্বিশেষে উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ পালন কৰিবলৈ আমি বদ্ধপৰিকৰ। আহি থকা দিনতো চৰকাৰী ভূমিৰ বেদখল উচ্ছেদ হ'ব। জনজাতীয় বেষ্টনীৰ বেদখল উচ্ছেদ কৰাটোও আমাৰ অন্যতম নিৰ্বাচনী প্ৰতিশ্ৰুতি আছিল। পাহাৰ-ভৈয়াম য'তেই বেদখল নহওক কিয়, ৰাজ্যখনৰ সকলোতে আমি বেদখল উচ্ছেদ কৰিম। '

কাজিৰঙাৰ উচ্ছেদ অভিযানৰ পিছতে যোৱা অক্টোবৰ মাহত শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান নগাঁও জিলাৰ বৰদোৱা আকাশীগংগাৰ পাৰৰ ১৩০ বিঘা মাটিৰ উপৰি অতিৰিক্তভাৱে শান্তিজানৰ ৪৪ বিঘা মাটিও বেদখলমুক্ত কৰে নগাঁও জিলা প্ৰশাসনে। পিছে অকল বৰদোৱাতে নহয়, অসমৰ বিভিন্ন সত্ৰ-দৌল-দেৱালয়ৰ ভূমিও ইতিমধ্যে বেদখলকাৰীয়ে আঁজুৰি নিয়াৰ অভিযোগ উঠিছে আৰু চৰকাৰে সেইবোৰো পৰ্যায়ক্ৰমে বেদখলমুক্ত কৰাৰ কথা ঘোষণা কৰিছে।

অসম চৰকাৰৰ বেদখল উচ্ছেদ অভিযানৰ অংশ হিচাপে বিগত বৰ্ষৰ নৱেম্বৰ মাহত মৰিগাঁও জিলাৰ মায়ং ৰাজহ খণ্ডৰ অন্তৰ্গত হাতীমূৰা আৰু হিলৈখুন্দাত অভিযান চলাই ২৬৫টা পৰিয়ালক উচ্ছেদ কৰে।

একেদৰে ডিচেম্বৰ মাহত দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ ফুহুৰাতলী গ্ৰেজিং ৰিজাৰ্ভত অভিযান চলাই দুই শতাধিক পৰিয়ালক উচ্ছেদ কৰা হয় আৰু ১০০০ ৰো অধিক বিঘা ভূমি বেদখলমুক্ত কৰা হয়। পাঁচ শতাধিক অবৈধ নিৰ্মাণ ধ্বংস কৰা হয়। তদুপৰি একেটা মাহতে অসমৰ আন এখন ৰাষ্ট্ৰীয় উদ্যান মানাসৰ অন্তৰ্গত ভূঞাপাৰা ৰেঞ্জৰ ডিহিৰা, বেতবাৰী, খৈৰাবাৰী, হাদান, আগ্ৰাং, পাণ্ডা আৰু মৌজিত উচ্ছেদ অভিযান চলাই ১৬ বৰ্গ কিলোমিটাৰ এলেকা বেদখলমুক্ত কৰা হয়।

একেটা মাহতে শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত বন বিভাগে বুঢ়াচাপৰি অভয়াৰণ্যৰ অন্তৰ্গত বাঘেটাপু চৰৰ ৪০টা আৰু লাঠিমাৰী চৰৰ ১০৭টা পৰিয়ালক ইতিপূৰ্বে দিয়া জাননী সত্ত্বেও বেদখলকাৰী পৰিয়ালকেইটাই বনাঞ্চলৰ মাটিৰ দখল এৰি নিদিয়াত উচ্ছেদ অভিযান চলায়। আকৌ কামৰূপ জিলাৰ পূব বংশৰ মৌজাৰ অন্তৰ্গত ৰাক্ষসিনী চৰ আৰু নিজগন্ধমৌৰ চৰণীয়া পথাৰত হাজো ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ নেতৃত্বত চলোৱা উচ্ছেদ অভিযানত নিজগন্ধমৌ চৰণীয়া পথাৰৰ ২২টা পৰিয়াল আৰু ৰাক্ষসিনী চৰৰ ৭৯টা পৰিয়ালকে ধৰি মুঠ ১০১টা পৰিয়ালক উচ্ছেদ কৰা হয়।

জানুৱাৰী মাহত নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত লাউঠাৰি ৰিজাৰ্ভৰ মুঠ প্ৰায় ৭০০ বিঘা ভূমিৰ ভিতৰত প্ৰথম পৰ্যায়ত স্থানীয় প্ৰশাসনে ৪০টা গৃহ উচ্ছেদ কৰি প্ৰায় ৩২৬ বিঘা ভূমি বেদখলমুক্ত কৰে। বন বিভাগে লাওখোৱা অভয়াৰণ্যৰ পশ্চিম শিঙিমাৰী, শালপাৰা, পশ্চিম ফুলজাৰ আদিত উচ্ছেদ অভিযান চলোৱাৰ পিছত পুনৰ যোৱা ১৫ ফেব্ৰুৱাৰীত বুঢ়া চাপৰি অভয়াৰণ্যৰ বাঘেটাপুত অভিযান চলায় বন বিভাগে। যোৱা ১০ ডিচেম্বৰতো বন বিভাগে বাঘেটাপুত উচ্ছেদ অভিযান চলাইছিল যদিও বনাঞ্চল বেদখল কৰি বসবাস কৰা লোকসকলে স্বইচ্ছাৰে বনাঞ্চলৰ ভূমি এৰি দিয়াৰ প্ৰতিশ্ৰুতি দিয়াত বন বিভাগে উচ্ছেদ অভিযান আধাতে সামৰিছিল। কিন্তু এই অভিযানৰ দুটা মাহ অতিক্ৰম কৰাৰ পিছতো বেদখলকাৰীয়ে বনাঞ্চলৰ ভূমি ত্যাগ নকৰাত বন বিভাগে পুনৰ অভিযান চলাই ৩০টা পৰিয়ালৰ ঘৰ উচ্ছেদ কৰে। একেদৰেই যোৱা ২২ ডিচেম্বৰত বন বিভাগ-প্ৰশাসনৰ বাহিনীয়ে মানস ৰাষ্ট্ৰীয় উদ্যানৰ ভূঞাপাৰা ৰেঞ্জৰ অন্তৰ্গত বেতবাৰী এলেকাত বেদখল হৈ থকা প্ৰায় ১৫ কিলোমিটাৰ বনাঞ্চলৰ মাটিত উচ্ছেদ অভিযান চলায় যদিও উচ্ছেদিত ঠাইসমূহত বেদখলকাৰীয়ে পুনৰ ঘৰ সজাৰ পৰিপ্ৰেক্ষিতত বন বিভাগ-প্ৰশাসন-আৰক্ষী-অৰ্ধসামৰিক বাহিনীৰ

